# দৈনিক জনমভূমি

তিনিচুকীয়া, একবিংশতিতম বছৰ, সংখ্যা ৩২০ ● বুধবাৰ ● ১৩ শাওণ ● ১৯৪৭ শক ● DAINIK JANAMBHUMI ● Tinsukia ● Wednesday ●


## ৰিমেনজ কলেজ আৰু ৱৰ্ল্ড ফ্ৰেগেণ্ট কৰ্পৰেশ্যন ছেজং, দক্ষিণ কোৰিয়াৰ মাজত বুজাবুজিৰ চুক্তি

তিনিচুকীয়া ঃ ২৯ জুলাই ঃ শনিবাৰে ৰিমেনজ কলেজ, তিনিচুকীয়াৰ মলয় পাল সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। সভাত তিনিচুকীয়াৰ নটাৰী সঞ্জয় আগৰৱালা আৰু অধিবক্তা অৰ্জিতা দাসৰ উপস্থিতিত ৰিমেনজ কলেজ, তিনিচুকীয়া আৰু ৱৰ্ল্ড ফ্ৰেগেণ্ট কৰ্পৰেশ্যন ছেজং, কোৰিয়াৰ মাজত এক বুজাবুজিৰ মৌ (MoU) চুক্তি স্বাক্ষৰ কৰা হয়। এই চুক্তিত ৰিমেনজ কলেজ, তিনিচুকীয়াক প্ৰতিনিধিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড মৃগাংক চৌধুৰীয়ে আৰু ৱৰ্ল্ড ফ্ৰেগেণ্ট কৰ্পৰেশ্যন ছেজং, কোৰিয়াৰ হৈ প্ৰতিনিধিত্ব কৰে সংস্থাৰ পৰিচালক লি কি-চুকে। এই চুক্তিৰ মূল উদ্দেশ্য হৈছে ৰিমেনজ কলেজ, তিনিচুকীয়াত অতি সোনকালে কোৰিয়ান ভাষা ছাত্ৰ-ছাত্ৰীসকলক শিকোৱাৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি দুয়োটা অনুষ্ঠানৰ মাজত হোৱা এনে বুজাবুজিৰ মাধ্যমেৰে কোৰিয়ান



ভাষা আৰু সংস্কৃতিৰ সমন্বয়ৰ এক ব্যৱস্থা কৰা হ'ব। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° অচ্যুত বৰঠাকুৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৃগাংক চৌধুৰীয়ে সভাখনত সকলোলৈকে আদৰণি জনোৱাৰ লগতে এনে চুক্তিৰ মাজেৰে ৰিমেনজ কলেজ, তিনিচুকীয়াৰ আন্তঃৰাষ্ট্ৰীয় মঞ্চত এক নতুন আশাব্যঞ্জক পদক্ষেপ হ'ব বুলি ব্যক্ত কৰে। সভত ৱৰ্ল্ড ফ্ৰেগেণ্ট কৰ্পৰেশ্যন ছেজং, কোৰিয়াৰ পৰিচালক লি কি-চুক উপস্থিত থাকি ৰিমেনজ কলেজৰ অধ্যক্ষ আৰু উদ্যোক্তাসকলক শলাগ জ্ঞাপন কৰে আৰু মহাবিদ্যালয়ত কোৰিয়ান ভাষা শিকোৱাৰ ক্ষেত্ৰত সকলো ফালৰ পৰা সহায়-সহযোগ কৰিব বুলি বক্তব্য আগবঢ়ায়। সভাখনত ৰিমেনজ কলেজৰ উপাধ্যক্ষ ড° বিভাৰাণী গোস্বামী, পাৰ্মিটা কোৰিয়া ৰিজনেল ব্ৰাঞ্চ, অসমৰ সহকাৰী সম্পাদক প্যাচেং চাওলু, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কোৰিয়ান ভাষাৰ শিক্ষক দেৱযানী দাসৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু শতাধিক মহাবিদ্যালয়ৰ ছাত্ৰী উপস্থিত থাকে।